(19)

Gmail

OA-149/2026/EZ

NGT Kolkata <pgngtkolkata@gmail.com>

# Fwd: Formal Objection to DSR Baksa & Refusal of EC for Gowardhana Mining Blocks: Direct Threat to Public Infrastructure (Gamariguri) & Violation of NGT Guidelines.

1 message

**Sh Deepto Ghosh Registrar** <registrarngt-kolkata@gov.in>  Fri, Mar 27, 2026 at 9:26 AM
To: pgngtkolkata <pgngtkolkata@gmail.com>

============ Forwarded message ============
From: Ranjit <ranjitbarman505050@gmail.com>
To: <cherenda67@gmail.com>
Cc: <registrarngt-kolkata@gov.in>, "Pranjit Kumar Wary"<pranjitkr56@gmail.com>, "वक़्त की सिलवटें" <sandeep142306@gmail.com>, <dc-baksa@nic.in>
Date: Thu, 26 Mar 2026 20:19:30 +0530
Subject: Formal Objection to DSR Baksa & Refusal of EC for Gowardhana Mining Blocks: Direct Threat to Public Infrastructure (Gamariguri) & Violation of NGT Guidelines.
============ Forwarded message ============

Subject: Formal Objection to DSR Baksa & Refusal of EC for Gowardhana Mining Blocks: Direct Threat to Public Infrastructure (Gamariguri) & Violation of NGT Guidelines.

Ref: PMO Grievance Registration No: MOEAF/E/2026/0001197

To,
The Member Secretary,
State Level Environment Impact Assessment Authority (SEIAA), Assam.

Copy to:
The Registrar, National Green Tribunal (NGT), Eastern Zone Bench, Kolkata.
The Principal Chief Conservator of Forests (PCCF) & HoFF, Assam.
The Additional Secretary, Mines & Minerals Dept., Govt. of Assam.
The Deputy Commissioner, Baksa.

Respected Sir/Madam,
We, the undersigned organizations and local representatives of the Gobardhana-Gamariguri area, formally submit our objection to the inclusion of Gobardhana (Beki River stretch) as a mining block in the Draft DSR of Baksa. The proposed mining is a direct violation of Sustainable Sand Mining Guidelines (2016/2020) and Hon'ble NGT mandates.

Our Specific Objections:
**Existential Threat to Gobardhana Village:** The village of Shimulbari is already extinct, and 75% of Gowardhana village has been submerged by the Beki River. Permitting mining in the remaining stretch will permanently displace the last 15-20 families and destroy the historic Gobardhana Satra.

**Catastrophic Impact on Gamariguri Infrastructure:** Although the proposed mining site is in Gowardhana, it will cause massive cross-bank erosion in Gamariguri (Barpeta District), which houses vital public institutions located on the very edge of the river:
PM-SHRI Gobardhana Higher Secondary School.
Gobardhana Kharija Bijni Degree College & Senior Secondary School.
Critical Power Control Hub/Grid and Primary Health Centre (PHC).
Multiple Primary Schools and Socio-Religious institutions.

**Destruction of Geo-Bag Protections:** The ongoing illegal mechanized mining (JCBs/Excavators) is already destabilizing the Geo-Bag bank protections installed by the Water Resources Department. Any formal mining lease will

lead to the immediate collapse of these flood protection works.

**Violation of NGT Norms:** NGT guidelines strictly prohibit mining in such erosion-prone zones and near critical infrastructure. No scientific 'Replenishment Study' has been conducted to justify mining in this disappearing landscape.

**Prayer**:
We urge the SEIAA to Refuse Environmental Clearance (EC) for any mining at Gobardhana and remove it from the Final DSR. We also request the PCCF and NGT to take immediate action against the illegal mechanized mining currently destroying our land and heritage.

Yours sincerely,

Ranjit Barman, President,Gobardhana Anchalik Sahitya Sobha
Hriday Ranjan Nath, Secretary, Gobardhana Anchalik Sahitya Sobha
Junu Swargiary, Principal, G.K.B. Sr. Secondary school
Pritam kr. Saha, principal, PM Shri Gobardhana H.S.School
Dhiren Ch. Nath, Head Teacher, 1558 No. Gamariguri LP School
Anup Jyoti Barman, Present, Gobardhana AASU
Chinmay Nath, Secretary, Gobardhana AASU
Diganta Pathak, Present, Gobardhana AJYCP
Akhim Daimary, Secretary, Gobardhana AJYCP

aasu.pdf

GrievanceDocument.pdf

IMG-20260326-WA0002.jpg

IMG-20260326-WA0001.jpg

VID-20260326-WA0000.mp4

VID-20260326-WA0003.mp4

"চিৰ চেনেহী মোৰ ভাষা জননী"
অসম সাহিত্য সভাৰ স্বীকৃত
গোৱৰ্দ্ধনা আঞ্চলিক শাখা সাহিত্য সভা
পঞ্জীয়ন নং- ৮/৭৩-৭৪
ডাকঘৰঃ গোৱৰ্দ্ধনা,জিলাঃ বাক্সা (অসম)
স্থাপিতঃ ১৯৭২ ইং চন।

**Subject:** Formal Objection to DSR Baksa & Refusal of EC for Gobardhana Mining Blocks: Direct Threat to Public Infrastructure (Gamariguri) & Violation of NGT Guidelines.

**Ref: PMO Grievance Registration No: MOEAF/E/2026/0001197**

To,
The Member Secretary,
State Level Environment Impact Assessment Authority (SEIAA), Assam.

Copy to:
1. The Registrar, National Green Tribunal (NGT),
   Eastern Zone Bench, Kolkata.
2. The Principal Chief Conservator of Forests (PCCF) & HoFF, Assam.
3. The Additional Secretary, Mines & Minerals Dept., Govt. of Assam.
4. The Deputy Commissioner, Baksa.

Respected Sir/Madam,

We, the undersigned organizations and local representatives of the Gobardhana-Gamariguri area, formally submit our objection to the inclusion of Gobardhana (Beki River stretch) as a mining block in the Draft DSR of Baksa. The proposed mining is a direct violation of Sustainable Sand Mining Guidelines (2016/2020) and Hon'ble NGT mandates.

**Our Specific Objections:**

**Existential Threat to Gobardhana Village:** The village of Shimulbari is already extinct, and 75% of Gobardhana village has been submerged by the Beki River. Permitting mining in the remaining stretch will permanently displace the last 15-20 families and destroy the historic Gobardhana Satra.

**Catastrophic Impact on Gamariguri Infrastructure:** Although the proposed mining site is in Gobardhana, it will cause massive cross-bank erosion in Gamariguri (Barpeta District), which houses vital public institutions located on the very edge of the river:"PM-SHRI Gobardhana Higher Secondary School."Gobardhana Kharija Bijni Degree College & Senior Secondary School. Critical Power Control Hub and Health Sub Centre . Multiple Primary Schools and Socio-Religious institutions.

*Cont...*

“চিৰ চেনেহী মোৰ ভাষা জননী”

অসম সাহিত্য সভাৰ স্বীকৃত

# গোৰৰ্দ্ধনা আঞ্চলিক শাখা সাহিত্য সভা

পঞ্জীয়ন নং- ৮/৭৩-৭৪

ডাকঘৰঃ গোৰৰ্দ্ধনা,জিলাঃ বাক্সা (অসম)

স্থাপিতঃ ১৯৭২ ইং চন।

---

**Destruction of Geo-Bag Protections:** The ongoing illegal mechanized mining (JCBs/Excavators) is already destabilizing the Geo-Bag bank protections installed by the Water Resources Department. Any formal mining lease will lead to the immediate collapse of these flood protection works.

**Violation of NGT Norms:** NGT guidelines strictly prohibit mining in such erosion-prone zones and near critical infrastructure. No scientific 'Replenishment Study' has been conducted to justify mining in this disappearing landscape.

**Prayer:**

We urge the SEIAA to Refuse Environmental Clearance (EC) for any mining at Gobardhana and remove it from the Final DSR. We also request the PCCF and NGT to take immediate action against the illegal mechanized mining currently destroying our land and heritage.

Yours sincerely,

Organization Name & Sign and Name & Sign of School/College Representative

Ranjit Barman
সভাপতি/সম্পাদক
গোৰৰ্দ্ধনা আঞ্চলিক শাখা সাহিত্য সভা
তাং 25/03/26

Hriday Ranjan Nath.
সভাপতি/সম্পাদক
গোৰৰ্দ্ধনা আঞ্চলিক শাখা সাহিত্য সভা
তাং 25/03/26

Anup Jyoti Barman
সভাপতি
গোৰৰ্দ্ধনা আঞ্চলিক ছাত্র সন্থা
তাৰিখ 25/03/26

Diganta Pathak
সভাপতি
অসম জাতীয়তাবাদী যুৱ ছাত্র পৰিষদ
গোৰৰ্দ্ধনা আঞ্চলিক সমিতি
স্থাপিত-১৯৭৮

Akhim Daimary
সম্পাদক
অসম জাতীয়তাবাদী যুৱ ছাত্র পৰিষদ
গোৰৰ্দ্ধনা আঞ্চলিক সমিতি
স্থাপিত-১৯৭৮

Chinmoy Nath.
সাধাৰণ সম্পাদক
গোৰৰ্দ্ধনা আঞ্চলিক ছাত্র সন্থা
তাৰিখ 25/03/26

Principal
G.K.B. Sr. Secondary School
Gobardhana

Dhiren Chandra Nath
Head Teacher
1558 Gamariguri L.P. School
Gobardhana, Dist. Barpeta

Principal
PM Shri Gobardhana
H.S. School

জয় আই অসম

গোৱৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা

**Gobardhana Regional Students' Union**

ডাকঘৰঃ গোৱৰ্দ্ধনা, জিলাঃ বৰপেটা (অসম), পিনঃ ৭৮১৩১৫
মুখ্য কাৰ্যালয় ঃ ছহিদ ভৱন, গোৱৰ্দ্ধনা।
ফোন নংঃ ৮৪৭৩৯৭৫৭৭৪(সভাপতি)
৬০০০৫০৪০২৪ (সাঃ সম্পাদক)

সভাপতি
শ্ৰী অনুপজ্যোতি বৰ্মন

সাধাৰণ সম্পাদক
শ্ৰী চিন্ময় নাথ

তাৰিখ 27 Feb. 2026

# MEMORANDUM OF GRIEVANCE AND DEMAND

To,
The Honorable Prime Minister
Government of India.
New Delhi-110011

**Subject:** Urgent petition to prevent illegal sand and stone mining in the Beki River under Barpeta & Baksa District and to protect indigenous settlements and public infrastructure from man-made erosion.

Respected Sir,

With due respect, we, the undersigned representing the Gobardhana Regional Students' Union, Axom Jatiyatabadi yuba-Chatra Parishad-Gobardhana regional committee, Gobardhana regional Sahitya Sabha, Baksa district Nath Yogi Students' Union, and the indigenous residents of Gamari Guri and Hatapara, bring to your urgent attention a brewing ecological and humanitarian crisis. The Beki River has historically posed a challenge to the socio-economic and educational stability of the Gobardhana region. However, since 2004, the scale of destruction has reached an unprecedented level. While river erosion is often seen as a natural phenomenon, the current devastation in the Barpeta and Baksa districts' Gamariguri, Gobardhana, Uttar chafakamar area is anthropogenic (man-made), driven by unregulated and illegal industrial activity.

1. **The Destruction of Indigenous Settlements:** The relentless erosion has already claimed more than ten villages within the Gobardhana Mouza. In the northern belt of Barpeta, only two indigenous villages remain—Gamari Guri and Hatapara. Even these are now on the verge of disappearing into the river Beki. Displaced families, having lost their ancestral lands and livelihoods, are currently living in extreme poverty in makeshift shelters along side public roads.

2. **Threats to Critical Infrastructure**: The continued mining has destabilized the riverbanks to the point where several vital institutions—

জয় আই অসম

# গোৱৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা
# Gobardhana Regional Students' Union

ডাকঘৰঃ গোৱৰ্দ্ধনা, জিলাঃ বৰপেটা (অসম), পিনঃ ৭৮১৩১৫
মুখ্য কাৰ্যালয় ঃ ছহিদ ভৱন, গোৱৰ্দ্ধনা।
ফোন নংঃ ৮৪৭৩৯৭৫৭৭৪(সভাপতি)
৬০০০৫০৪০২৪ (সাঃ সম্পাদক)

সভাপতি
শ্ৰী অনুপজ্যোতি বৰ্মন

সাধাৰণ সম্পাদক
শ্ৰী চিন্ময় নাথ

তাৰিখ ...27 Feb. 2026......

located within a mere 100 to 200 meters of the current waterline—are facing imminent collapse:"Educational: Gobardhana-Kharija Bijni senior secondary school, Gobardhana-Kharija Bijni Degree College, PM Shree Gobardhana Higher Secondary School, and multiple Primary Schools."Healthcare & Governance: Gobardhana Primary Health Centre, Veterinary Hospital, APDCL power control hub and the Village Panchayat Office."Connectivity: The PWD road connecting Barpeta Road to the Manas National Park (a UNESCO World Heritage site) and this is to be remember that our honourable PM Shri Narendra Damodar Modi will inaugurate this PWD road on 14th March this year.

3. **The Impact of Illegal Mining**: Since 2010, the introduction of heavy machinery (JCB Excavators and Folkland machines) has deepened the riverbed unnaturally. This has diverted the river's current, causing it to aggressively erode the eastern and western banks. **Violation of Laws:** Despite the District Administration previously invoking Section 144 to halt these activities, illegal mining has resumed due to departmental gross negligence and the alleged complicity of local officials.

**Infrastructure Damage:** Heavy trucks are illegally using the 'GEO' embankment—a flood-protection barrier built with World bank and Govt. of India funding—to transport minerals, severely compromising the structural integrity of the dam.

**Formal Demands:**Immediate Moratorium: An absolute ban on the movement of heavy mining vehicles over the Geo embankment to prevent a catastrophic breach.

**Cessation of Mining:** An immediate halt to all stone and sand mining activities in the Gamari Guri, Gobardhana, and North Chafakamar sectors.

**Infrastructure Protection:** Urgent reinforcement of the riverbanks near Manas National Park and the aforementioned educational institutions.

**Enforcement of the Law:** Strict implementation of the Mines and Minerals (Development and Regulation) Act, 1957, and an investigation into the illegal night-time mining operations that are causing severe noise pollution and environmental degradation.

জয় আই অসম

# গোৰৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা
# Gobardhana Regional Students' Union

ডাকঘৰঃ গোৰৰ্দ্ধনা, জিলাঃ বৰপেটা (অসম), পিনঃ ৭৮১৩১৫
মুখ্য কাৰ্যালয় ঃ ছহিদ ভৱন, গোৰৰ্দ্ধনা।
ফোন নংঃ ৮৪৭৩৯৭৫৭৭৪(সভাপতি)
৬০০০৫০৪০২৪ (সাঃ সম্পাদক)

সভাপতি
শ্ৰী অনুপজ্যোতি বৰ্মন

সাধাৰণ সম্পাদক
শ্ৰী চিন্ময় নাথ

তাৰিখ ...27 Feb./2026......

**Conclusion:** The indigenous people of this region are on the verge of losing their identity and their homes. If immediate action is not taken, the village of GamariGuri—the heart of this region—will vanish from the map of Assam. We look to your leadership for justice and the protection of our environment. We seek your direct intervention to safeguard the lives, land, and culture of the indigenous people of this region. Should this plea go unaddressed, the local community and our collective organizations will be forced to escalate this matter through a sustained democratic protest.

"Yours faithfully,

"[Signatures/Seals of Representing Organizations]

Anup Jyoti Barman
সভাপতি
গোৰৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা
তাৰিখ...27/2/26

Chinmoy Nath
সাধাৰণ সম্পাদক
গোৰৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা
তাৰিখ...27/2/26

Diganta Pathak
সভাপতি
অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ
গোৰৰ্দ্ধনা আঞ্চলিক সমিতি
স্থাপিত-১৯৭৮

Rahul Nath
President
Baksa District ... Students' Union
Date........

Hriday Ranjan Nath
সভাপতি/সম্পাদক
গোৰৰ্দ্ধনা আঞ্চলিক শাখা সাহিত্য সভা
তাং....27/2/26....

Akhim Daimary
সম্পাদক
অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ
গোৰৰ্দ্ধনা আঞ্চলিক সমিতি
স্থাপিত-১৯৭৮

Hari ... Patowary
President/Secretary
Baksa District ... Students' Union
Date........

Principal
G.K.B. Sr. Secondary School
Gobardhana

Deepak Barman
সভাপতি
হটাপাৰা গঞ্জা বাইজ
তাং.

Scrabanand Barman
সভাপতি/সম্পাদক
গামৰীগুৰি (হ্ৰেচ.প্ৰাৱা.)গঞ্জা বাইজ
তাৰিখ..................

Rabin Brahma
President/Secretary
Safakamar & Uttar Safakanar
Brahma) Boro Somaj Committee
Date...... .............. . .

Lalita Basumatary
Head Teacher
123 No. Safakamar L.P.S.
Date......................

Principal
PM Shri Gobardhana
H.S. School

Head Teacher
1558 Gamariguri L.P. School
Gobardhana, Dist. Barpeta

Golap Barman
সম্পাদক
হটাপাৰা গঞ্জা বাইজ
তাং...27/2/26

শ্ৰী নাৰ্গী বৰ্মন
সভানেত্ৰী/সম্পাদিকা
গামৰীগুৰী গাওঁ মহিলা সমিতি
তাৰিখঃ 27/2/26

জয় আই অসম

# গোৰৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা

# Gobardhana Regional Students' Union

ডাকঘৰঃ গোৰৰ্দ্ধনা, জিলাঃ বৰপেটা (অসম), পিনঃ ৭৮১৩১৫
মুখ্য কাৰ্যালয় ঃ ছহিদ ভৱন, গোৰৰ্দ্ধনা।
ফোন নংঃ ৮৪৭৩৯৭৫৭৭৪(সভাপতি)
৬০০০৫০৪০২৪ (সাঃ সম্পাদক)

সভাপতি
শ্ৰী অনুপজ্যোতি বৰ্মন

সাধাৰণ সম্পাদক
শ্ৰী চিন্ময় নাথ

তাৰিখ ...27 February 2026

**Copies of the memorandum are provided separately to-**

1. PCCF & HoFF, Guwahati, 781037,
   on 24 February 2025, through DC, Barpeta.
2. SEAC, Assam, Bamunimaidam, 781021,
   on 9 september 2025, through DC, Barpeta
3. Distric Commissioner, Barpeta, Assam,
   on 9 september 2025,
4. PCCF & HoFF, Guwahati, 781037,
   on 1 December 2025, through Regional Forest officer, Barpeta Road, Barpeta, Assam
5. Forest Minister, Assam, Guwahati,
   on 22 January 2026, through Regional Forest officer, Barpeta Road, Barpeta, Assam

Anup Jyoti Barman
সভাপতি
গোৰৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা
তাৰিখ..27/2/26

Hriday Ranjan Nath
সভাপতি/সম্পাদক
গোবৰ্দ্ধনা আঞ্চলিক শাখা সাহিত্য সভা
তাং ......27/2/26

Google Maps


Indigenous villages and several Institution




Imagery ©2026 Airbus, Map data ©2026 200 m


Trucks carrying rock and sand move over the Geo Dam




# Illegal sand and stone mining




# Illegal sand and stone mining









# Illegal sand and stone mining




GPS Map Camera
Uttar Sabakamar, Assam, India
111, Sh 6, Uttar Sabakamar, Assam 781315, India
Lat 26.576785° Long 90.978044°
Wednesday, 25/02/2026 03:32 PM GMT +05:30
Google


GPS Map Camera
Barpeta Road, Assam, India
Manas Road, Barpeta Road, Assam 781315, India
Lat 26.578028° Long 90.983372°
Wednesday, 25/02/2026 04:02 PM GMT +05:30
Google


GPS Map Camera
Barpeta Road, Assam, India
Manas Road, Barpeta Road, Assam 781315, India
Lat 26.57825° Long 90.983863°
Wednesday, 25/02/2026 03:19 PM GMT +05:30
Google

# বুকুত এতিয়াও সজীৱ হৈ আছে খহনীয়াত ঘৰ-ভেটি হেৰুৱাৰ বেদনা

**গামাৰীগুৰী গাঁওৰ খহনীয়াৰ একাংশ কৰুণ দৃশ্য**



গামাৰিগুৰিত শিল-বালি খনন বন্ধ কৰাৰ দাবী ঃ অবৈধ খনন বন্ধ নহ'লে তীব্ৰ আন্দোলনৰ হুংকাৰ

# গোৱৰ্ধনাত মানৱ শৃংখলেৰে ৰাইজৰ প্ৰতিবাদ



প্ৰতিনিধি বিশেষ সম্বাদ, কলগাছিয়া, ২ মাৰ্চ ঃ বৰপেটা জিলাৰ গামাৰিগুৰি [illegible] শিল-বালি খনন বন্ধ কৰাৰ দাবীত গোৱৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, গোৱৰ্ধনা শাখা সাহিত্য সভা আৰু গামাৰিগুৰি, হটাপাৰা ৰাইজে আজি মানৱ শৃংখলেৰে প্ৰতিবাদ সাব্যস্ত কৰে। [illegible]

[illegible]

ট্ৰাম্প-জেলেনস্কিৰ সংঘাতৰ পাচত তৎপৰ ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰ্মাৰ

# ফ্ৰান্স-ব্ৰিটেইনে আমেৰিকাক দিব শান্তি পৰিকল্পনাৰ নতুন প্ৰস্তাৱ

আমেৰিকাত জেলেনস্কিৰ সমৰ্থনত

সমদল ঃ ডেমক্ৰেটিক নেতাৰ ট্ৰাম্পক সমালোচনা



লণ্ডন, ২ মাৰ্চ ঃ হোৱাইট হাউছত মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলোডিমিৰ জেলেনস্কিৰ আলোচনা ব্যৰ্থ হোৱাৰ পিছত আগলৈ যুদ্ধ তীব্ৰ হ'ব বুলি আশংকা [illegible] হৈ পৰিছে। প্ৰায় সমগ্ৰ ইউৰোপে ট্ৰাম্পৰ বিপৰীতে জেলেনস্কিক সমৰ্থন দিয়াৰ পিছত শান্তি প্ৰক্ৰিয়াৰ [illegible] কৰিছিল। কিন্তু এনে [illegible] আজি আশাৰ বতৰা দিলে ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰ্মাৰে। তেওঁ কয় যে লণ্ডনৰ [illegible] ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰোঁ আৰু ৰাষ্ট্ৰপতি জেলেনস্কিৰ লগত আলোচনাৰে মিলিত হৈ যুদ্ধ বন্ধ কৰাৰ বাবে এটা পৰিকল্পনা প্ৰস্তুত কৰিছে। ব্ৰিটিছ প্ৰধানমন্ত্ৰীজনে এই পৰিকল্পনাৰ প্ৰস্তাৱ ৰাষ্ট্ৰপতি ট্ৰাম্পক দাখিল কৰিব। বি বি চিৰ সাংবাদিকক ষ্টাৰ্মাৰে কয় – 'আমি সঠিক দিশতে খোজ [illegible]

■ ১২ পৃষ্ঠাত

বিদ্যালয় পৰিদৰ্শকলৈ মাধ্যমিক শিক্ষা সঞ্চালকৰ পত্ৰ

# প্ৰাদেশীকৃত হাইস্কুলৰ ...ান শিক্ষক নিযুক্তিৰ তালিকা

---

...পাচত পুনৰ চোৰাং চিকাৰীৰ প্ৰৱেশৰ ঘটনাই বন বিভাগকো চিন্তিত কৰি ... বাবেই প্ৰধানতঃ কন্যাহট্টী জনাঞ্চললৈ আহি উপদ্ৰৱ চলায়।


# গোৱৰ্ধনাত মানৱ শৃংখলেৰে ৰাইজৰ প্ৰতিবাদ


১৫৫৮ নং গামাৰিগুৰি এল পি স্কুল, ৬২৪ নং গোৱৰ্ধনা এল পি স্কুল, গোৱৰ্ধনা প্ৰাথমিক উপ-স্বাস্থ্য কেন্দ্ৰ, গোৱৰ্ধনা পশু চিকিৎসা কেন্দ্ৰ, গোৱৰ্ধনা পাৱাৰ কণ্ট্ৰোল হাব, গোৱৰ্ধনা শংকৰদেৱ শিশু নিকেতন, শংকৰ-আজান জাতীয় বিদ্যালয়, গোৱৰ্ধনা আঞ্চলিক জাতীয় বিদ্যালয় আদি শিক্ষানুষ্ঠানৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। ইয়াৰে একাংশ শিক্ষানুষ্ঠান বেঁকীৰ কাষৰ পৰা ২০ৰ পৰা ১৫০ মিটাৰ আঁতৰত অৱস্থিত। ২০১৭-২০১৮ বৰ্ষৰ বেঁকীৰ প্ৰবল খহনীয়াই গামাৰিগুৰি গাঁওস্থিত ই এণ্ড ডি বিভাগৰ মথাউৰিটোৰ লগতে উত্তৰ ছয়কমাৰ অঞ্চলৰ এক কিলোমিটাৰ গড়কাপ্তানি পথটো বিচ্ছিন্ন কৰে। ফলত উত্তৰাঞ্চলৰ কৃষিজীৱী ৰাইজে আজিও জীয়াতু ভুগি আছে। ২০১২-২০১৩ চনত তদানীন্তন বৰপেটা জিলাৰ উপায়ুক্তই বেঁকীৰ গামাৰিগুৰিৰ এই অংশত ১৪৪ ধাৰা বলবৎ কৰি খননকাৰ্য বন্ধ কৰিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে বিভাগৰ একাংশ অদূৰদৰ্শিতাৰ বাবে লক্ষেন গয়াবাৰীয়ে স্পৰ্শকাতৰ অঞ্চল হিচাপে চিহ্নিত হোৱা প্ৰতি বছৰে গৰাখহনীয়া হৈ থকা গামাৰিগুৰিত পুনৰ শিল-বালি খননৰ প্ৰমাণপত্ৰ লাভ কৰি খনন আৰম্ভ কৰে। যিটো গামাৰিগুৰি গাঁও তথা বৃহত্তৰ গোৱৰ্ধনা অঞ্চলৰ উল্লিখিত অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাবে কাল হৈ পৰিব। আশ্চৰ্যজনকভাৱে প্ৰতিবছৰে জিলা প্ৰশাসনক এই অঞ্চলত খননকাৰ্য যাতে নহয় তাৰ ব্যৱস্থা গ্ৰহণৰ বাবে স্মাৰকপত্ৰ দি অহা হৈছিল, কিন্তু ৰাইজৰ আপত্তি তথা আবেদনক আওকাণ কৰি বৰপেটা জিলা আয়ুক্তৰ তত্বাৱধানত কিদৰে এই কাৰ্য হ'বলৈ পালে তাক লৈ ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে। যোৱা ১০ ফেব্ৰুৱাৰীত বৰপেটা জিলা আয়ুক্তক এই বিষয়ে আপত্তি জনোৱাৰ উপৰি যোৱা ২৪ ফেব্ৰুৱাৰীত বৰনগৰ ৰাজহ চক্ৰ বিষয়া আৰু বৰপেটাৰোড বনাঞ্চলিক বিষয়াৰ জৰিয়তে পি চি চি এফলৈ খননৰ প্ৰমাণপত্ৰ বাতিল কৰাৰ বাবে দাবীপত্ৰ প্ৰদান কৰিছিল। লগতে চক্ৰ বিষয়া আৰু বনাঞ্চলিক বিষয়াই দুদিনৰ ভিতৰত এই খনন বন্ধ কৰাৰ আশ্বাস দিছিল। কিন্তু দুদিন বন্ধ কৰি খনন পুনৰ আৰম্ভ কৰাত ৰাইজ জাঙুৰ খাই উঠিছে। আজি প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে গামাৰিগুৰিত বাকী থকা ২৩০ মিটাৰ নদীৰ পাৰ বন্ধাৰ কাম অতি সোনকালে কৰাৰ লগতে শিল-বালি খননৰ অনুমতি বাতিল কৰাৰ দাবী জনায়। নহ'লে অন্যথা পৰৱৰ্তী সময়ত ৰাইজে তীব্ৰ আন্দোলন কৰাৰ হুংকাৰ দিয়ে। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে বৰপেটা জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি অৰ্ণৱ শৰ্মা, গোৱৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি হিতেশ পাটোৱাৰী, সাঃ সম্পাদক অনুপজ্যোতি বৰ্মন, গোৱৰ্ধনা আঞ্চলিক শাখা সাহিত্য সভাৰ বিষয়ববীয়াৰ উপৰি গোৱৰ্ধনা অঞ্চলৰ একাংশ সচেতন ব্যক্তিৰ লগতে গামাৰিগুৰি, হটাপাৰা গাঁৱৰ ৰাইজ।

# বেঁকী নৈত অবৈধ খনন বন্ধ কৰাৰ দাবী আছুৰ

## বৰপেটাৰোড বনাঞ্চলিক কাৰ্যালয়ত অৱস্থান ধৰ্মঘট




*বেঁকী খননৰ বিৰুদ্ধিতাবে আছু-ৰাইজৰ অৱস্থান ধৰ্মঘট*

**'আমাৰ অসম'ৰ বৰপেটাৰোডৰ প্ৰতিবেদক, ২৪ জানুৱাৰী ঃ** বৰপেটাৰোডৰ উত্তৰ অঞ্চলত বেঁকী নদীত শিল বালি মহলৰ নামত বেকী নদীত অবৈধখনন কাৰ্যই শংকিত কৰি তুলিছে উত্তৰাঞ্চলবাসী ৰাইজক। নদীৰ খনৰ ফলত বৰপেটাৰোডৰ উত্তৰ অঞ্চলৰ কেবাখনো খিলঞ্জীয়া গাঁৱৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। বৈধ আৰু অবৈধ শিল-বালি মহল বন্ধ কৰাৰ দাবী গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাই। গোবৰ্ধনা গামাৰিগুৰিত শিল-বালি মহলৰ নামত বেঁকী নদীত অবাধ খননৰ বিৰুদ্ধে ৰাজপথত ওলাই আহিল কেবাখনো গাঁৱৰ শতাধিক লোক, দল-সংগঠন। প্ৰতিদিনে শ-শ ট্ৰাক শিল-বালি গামাৰীগুৰীৰ বেঁকীৰ পৰা অত্যাধুনীক ভাবে পাৰাৰ টিলাৰ-পাইপ লগাই, এক্সেভেটৰেৰে খনন চলাই গামাৰীগুৰী আৰু হটাপাৰা খিলঞ্জীয়া গাঁও দুখনৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। যি কাৰ্যৰ দ্বাৰা এই অঞ্চলৰ প্ৰাণকেন্দ্ৰ স্বৰূপ তথা খিলঞ্জীয়াৰ বসতিপূৰ্ণ গামাৰীগুৰী গাঁওখনেই হয়তো মানচিত্ৰৰ পৰা হেৰাই যাব! এইক্ষেত্ৰত গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাই ৰাইজ তথা দল-সংগঠনে জল সম্পদ বিভাগৰ প্ৰত্যক্ষ হস্তক্ষেপ বিচাৰিছে। প্ৰতিবাদকাৰীসকলে বনমন্ত্ৰী হায়! হায়, অবৈধ খনন বন্ধ কৰক, খিলঞ্জীয়া গাঁও ৰক্ষা কৰক আদি ধ্বনিৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। খিলঞ্জীয়া বসতিপূৰ্ণ গামাৰীগুৰী, হটাপাৰা গাঁওদুখনৰ ভেটি-মাটি ৰক্ষাৰ স্বাৰ্থত আৰু গাঁও দুখনত অৱস্থিত কেবাখনো শিক্ষানুষ্ঠান, অনুষ্ঠান, প্ৰতিষ্ঠানৰ ভেটি ৰক্ষাৰ স্বাৰ্থত গামাৰীগুৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত শিল-বালি খনন বন্ধ কৰাৰ দাবীত গোবৰ্দ্ধনা আছু, অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ বৰপেটাৰোড আঞ্চলিক ছাত্ৰ সন্থা আৰু গাঁও দুখনৰ ৰাইজৰ সহযোগত বৰপেটাৰোড বনাঞ্চলিক কাৰ্যালয়ত অৱস্থান ধৰ্মঘট কাৰ্যসূচী লোৱা হয়।

**খনন বন্ধৰ দাবীত দল-সংগঠন, ৰাইজৰ অৱস্থান ধৰ্মঘট**

# গোৱৰ্ধনাত শিল-বালি মহলৰ নামত বেকী নৈত অবাধ খনন





*এফালে নৈৰ বুকুত অবাধে বালি খনন আনফালে খননৰ বিৰুদ্ধে প্ৰতিবাদ*

**'আমাৰ অসম'ৰ বৰপেটাৰোড আৰু আনন্দবজাৰৰ প্ৰতিবেদক, ২৯ ডিচেম্বৰ ঃ** বৰপেটাৰোড আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত গোৱৰ্ধনা গামাৰিগুৰত শিল-বালি মহলৰ নামত বেকী নৈত খনন চলোৱা কাৰ্যই বৰপেটাৰোডৰ উত্তৰ অঞ্চলৰ বাবে ভাবুকি কঢ়িয়াই অনাৰ লগতে কেইবাখনো খিলঞ্জীয়া গাঁৱৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। বৰপেটাৰোডৰ গাতে লাগি থকা গোৱৰ্ধনা গামাৰীগুৰিৰ সমীপৱৰ্তী অঞ্চলত দিনে নিশাই চলি আছে শিল- বালি খনন। ইয়াকে লৈ জাঙুৰ খাই উঠিছে কেইবাখনো খিলঞ্জীয়া গাঁৱৰ ৰাইজ, আৰু খিলঞ্জীয়াৰ ঘৰ-ভেটি ৰক্ষাৰ স্বাৰ্থত ধাৰাবাহিকভাৱে আমি আন্দোলন কৰি যাম, খহনীয়াত ঘৰ-ভেটি হেৰুৱাৰ বেদনা বুকুত এতিয়াও সজীৱ হৈ আছে বুলি সংবাদ মাধ্যমৰ আগত জনায় ৰাইজে। আনহাতে বৰপেটা জিলা ছাত্ৰ সন্থাৰ সভাপতি অৰ্ণৱ শৰ্মাই অৱস্থান ধৰ্মঘটত অংশগ্ৰহণ কৰি কয় খিলঞ্জীয়াৰ সুৰক্ষাৰ কথা কোৱা চৰকাৰখনে খিলঞ্জীয়াৰ কথা চিন্তা নকৰাটো দুৰ্ভাগ্যজনক। অৱস্থান ধৰ্মঘট কাৰ্যসূচীত গোৱৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগতে গামাৰীগুৰী আৰু উত্তৰ চাকাকামাৰৰ শতাধিক ৰাইজে বেঁকী নৈত শিল-বালি খনন বন্ধ কৰাৰ দাবীত গোৱৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ গোৱৰ্দ্ধনা, বৃহত্তৰ গামাৰীগুৰী, ইটাপাৰা ৰাইজৰ সহযোগত শিল-বালিৰ অবৈধ খনন বন্ধ কৰাৰ দাবীত গোৱৰ্ধনা ছহিদ ভৱনত ২৪ ঘণ্টীয়া অৱস্থান ধৰ্মঘটৰ পালন কৰে। বৃহত্তৰ গোৱৰ্ধনা গামাৰীগুৰী আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত শিল-বালিৰ বৈধ অবৈধ খনন বন্ধ কৰাৰ দাবীত আজি এক প্ৰতিবাদী অৱস্থান ধৰ্মঘটৰ সভা অনুষ্ঠিত কৰে। সভাত বৃহত্তৰ গোৱৰ্ধনা অঞ্চলৰ ৰাইজৰ লগতে গোৱৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ গোৱৰ্দ্ধনা আঞ্চলিক সমিতিৰ লগতে বৰপেটা জিলা ছাত্ৰ সন্থাৰ সভাপতি অৰ্ণৱ শৰ্মাৰ লগতে কেইবাগৰাকীও বিষয়ববীয়াই অংশগ্ৰহণ কৰে। প্ৰতিবাদী অৱস্থান ধৰ্মঘটত গোৱৰ্দ্ধনা আৰু ইয়াৰ কাষৰীয়া বিভিন্ন ঠাইত বেঁকীয়ে সামাজিক অৰ্থনৈতিক, শৈক্ষিক ক্ষেত্ৰত যথেষ্ট বিৰূপ প্ৰভাৱ বিস্তাৰ কৰাৰ কথা উল্লেখ কৰে। উল্লেখ্য, প্ৰতিবছৰে বেঁকীয়ে সংহাৰী ৰূপ ধাৰণ কৰি তাণ্ডৱ সৃষ্টি কৰি আহিছে। ২০০৪ চনৰ পৰা বৰ্তমানলৈ বেঁকীয়ে সংহাৰী ৰূপ লৈ সমগ্ৰ গোৱৰ্দ্ধনা অঞ্চলৰ ৰাস্তা-ঘাট, খেতি-পথাৰ, ঘৰ-দুৱাৰ, ভেটি-মাটি উচন কৰি পেলাইছে। প্ৰতিবছৰেই বেঁকীৰ সংহাৰি ৰূপে গোৱৰ্দ্ধনা অঞ্চলৰ অৰ্থনৈতিক ভেটি একেবাৰে বিধ্বস্ত কৰি পেলাইছে। প্ৰতিবছৰে হোৱা প্ৰবল খহনীয়াৰ ফলত গোৱৰ্দ্ধনা মৌজাৰ কুৰিখনৰো অধিক গাঁও বেঁকীৰ বুকুত জাঁহ গৈছে। উক্ত অঞ্চলৰ কেবা খনো গাঁৱৰ অধিকাংশ মাটি এতিয়া নদীৰ বুকুত। মাটি-ভেটি হেৰুৱাই নিৰাশ্ৰয় লোকসকলে গড়কপ্তানী পথৰ দাঁতিত আশ্ৰয় লৈ থাকিব লগাত পৰিছে।

নির্মাণৰ সময়ত বৈ যোৱা ত্ৰুটিসমূহ আঁতৰোৱাৰ প্ৰতিশ্ৰুতি পথছোৱাৰ দুয়োদিশত পকী নলা নিৰ্মাণৰ ক্ষেত্ৰতো



# গামাৰিগুৰি, উত্তৰ চাফাকামাৰত শিল বালি খনন বন্ধৰ দাবীত অৱস্থান ধৰ্মঘট

**প্ৰতিদিন বিশেষ সংবাদ, বৰপেটাৰোড, ২৯ ডিচেম্বৰ ঃ** গামাৰিগুৰি, উত্তৰ চাফাকামাৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত অবৈধ শিল-বালি খনন বন্ধ কৰাৰ দাবীত গোৱৰ্ধনা আঞ্চ, এ জে ৱাই চি পি আৰু বৃহত্তৰ গামাৰিগুৰি, হটাপাৰাৰ খিলঞ্জীয়া ৰাইজৰ সহযোগত ২৪ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। খিলঞ্জীয়া গাঁও দুখনৰ ভেটি-মাটিৰ লগতে গামাৰিগুৰি গাঁৱত অৱস্থিত কেইবাটাও অনুষ্ঠান, কেইবাখনো শিক্ষানুষ্ঠানৰ ভেটি-মাটিৰ প্ৰতি ভাবুকি আহি পৰা এই অবৈধ খনন বন্ধ নহ'লে অনাগত দিনত তীব্ৰ আন্দোলন কৰাৰ ভাবুকি প্ৰদান কৰে স্থানীয় ৰাইজৰ লগতে সংগঠন দুটাৰ নেতৃবৃন্দই। ২০০৪ চনৰ পৰা ধাৰাবাহিকভাৱে আন্দোলন কৰাৰ পিচতো কি কাৰণত ৰাইজৰ দাবীক অগ্ৰাহ্য কৰি বিভাগবোৰে অবৈধভাৱে এনে খনন কৰাৰ সুবিধা প্ৰদান কৰে তাক লৈ ৰাইজ চিন্তিত হৈ পৰিছে। যোৱা ৯ ছেপ্টেম্বৰত বৰপেটা জিলা আয়ুক্তৰ লগতে ষ্টেট এক্সপাৰ্ট এপ্ৰাইজেল কমিটীলৈ খননৰ অনুমতি প্ৰদান নকৰিবলৈ আঞ্চৰ তৰফৰ পৰা পৃথকে পৃথকে দুখন দাবীপত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু তাৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰি জিঅ' বান্ধৰ ওপৰেৰে শিলভৰ্তি ট্ৰাক চালানবিহীনভাৱে চলাই থকা বুলি সংগঠনৰ লগতে ৰাইজে জানিবলৈ দিয়ে। গোৱৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাই বন বিভাগক প্ৰত্যাহ্বান জনাই কয় যে যদি সৎ সাহস আছে ৰাইজ, সাংবাদিক আৰু ছাত্ৰ সংগঠনৰ সন্মুখত এসপ্তাহ চালান পৰীক্ষা কৰক, তেতিয়া জোলোঙাৰ মেকুৰী ওলাই পৰিব। বৰপেটা জিলা ছাত্ৰ সন্থাৰ সভাপতি অৰ্ণৱ শৰ্মাই খনন বন্ধ নকৰিলে গামাৰিগুৰি, হটাপাৰাৰ খিলঞ্জীয়া গাঁও দুখনৰ ৰক্ষাৰ স্বাৰ্থত অতিশীঘ্ৰে আন্দোলন কৰাৰ হুংকাৰ দিয়ে। এইক্ষেত্ৰত ৰাইজে মুখ্যমন্ত্ৰীৰ প্ৰত্যক্ষ হস্তক্ষেপ বিচাৰিছে।

অসমীয়া প্ৰতিদিন ■ বঙাইগাঁও ■ শুকুৰবাৰ, ২৩ জানুৱাৰী, ২০২৬/৯ মাঘ, ১৯৪৭ শক

## শিল-বালি মহলৰ নামত বেঁকী নদীত অবৈধ খনন

# আছুসহ কেইবাটাও সংগঠনৰ বন কাৰ্যালয়ত ধৰ্মঘট

প্ৰতিদিন বিশেষ সংবাদ, বৰপেটাৰোড, ২২ জানুৱাৰী ঃ বৰপেটাৰোড আঞ্চলিক বন কাৰ্যালয়ৰ অধীনত তিনি-চাৰিটা বৈধ শিল-বালিৰ মহল চলি থাকিলেও আন অধিকাংশ মহলৰ বিৰুদ্ধে বৈধ নথি-পত্ৰ নথকাৰ অভিযোগ উত্থাপিত হৈ অহাৰ সময়তে পুনৰ গোবৰ্ধনা অঞ্চলত চলি থকা শিল-বালি মহলৰ বিৰুদ্ধে ছাত্ৰ সন্থাকে ধৰি কেইবাটাও দল-সংগঠন তথা স্থানীয় ৰাইজ সৰৱ হৈ পৰিছে। ইতিমধ্যে গোবৰ্ধনা অঞ্চলত ছাত্ৰ সন্থাসহ কেইবাটাও সংগঠনে আজি বৰপেটাৰোড আঞ্চলিক বন কাৰ্যালয় প্ৰাংগণত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। মুখ্যতঃ সেই অঞ্চলত বেঁকী নদীৰ ওপৰত চলা খননৰ ফলতে যে ইখনৰ পিছত সিখন গাঁৱৰ অস্তিত্ব, বেঁকী নদীত বিলুপ্ত হ'ব ধৰিছে আৰু অবৈধভাৱে চলা এনে খননৰ ফলত সমগ্ৰ গোবৰ্ধনা অঞ্চলৰ প্ৰতি আগত বানিযাত তীব্ৰ ভাবুকি কঢ়িয়াই আনিব তাৰ উল্লেখ কৰিয়েই আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়িত হয়। প্ৰণিধানযোগ্য যে বিগত কেইবাবছৰ ধৰি বেঁকী নদীত চলা বৈধ-অবৈধ খননৰ ফলতে বৃহত্তৰ গোবৰ্ধনা অঞ্চলটো বেঁকী নদীয়ে তীব্ৰ ভাবুকি নমাই আনিছে। বিশেষকৈ বাৰিষাৰ সময়ত খৰনীয়াৰ ৰূপ লোৱা বেঁকী নদীয়ে পূৰ্বৰ গতি সলনি কৰি পূব দিশলৈ ধাবিত হোৱাৰ ফলতে কেইবাখনো গাঁৱৰ লগতে স্থানীয় লোকৰ খেতি মাটি, থকা ঘৰৰ লগতে শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান প্ৰতি বছৰে নদীৰ বুকুত জাহ গৈ আহিছে। ইতিমধ্যে কেইবাখনো গাঁৱৰ অস্তিত্বৰ প্ৰতি তীব্ৰ ভাবুকি আহি পৰা গোবৰ্ধনা অঞ্চলৰ গামাৰিগুৰি-হাটাখোলা গাঁও দুখনলৈকে পুনৰ বেঁকী নদীয়ে শংকা কঢ়িয়াই আনিছে। বাৰে বাৰে বেঁকী নদীত চলা খনন বন্ধ কৰাৰ দাবী তুলি গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাসহ আন ছাত্ৰ সংগঠনসমূহে ইতিপূৰ্বে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি বন বিভাগ তথা চৰকাৰৰ ওচৰত দাবী তুলি আহিছে। আনকি এনে প্ৰতিবাদৰ অংশস্বৰূপে যোৱা বছৰৰ ৯ ছেপ্টেম্বৰৰ পৰা ছাত্ৰ সন্থা, জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ আৰু স্থানীয় ৰাইজে বৰপেটাৰ আযুক্তক স্মাৰকপত্ৰ প্ৰদান কৰা, মানৱ শৃংখল ৰচা তথা ২৯ ডিচেম্বৰত গোবৰ্ধনা অঞ্চলত অৱস্থান ধৰ্মঘট কাৰ্যসূচীও পালন কৰি আহিছিল। কিন্তু ইয়াৰ পিছতো এনে খনন কাৰ্য দুই-এদিন বন্ধ হ'লেও পুনৰ চলে। বিশেষকৈ বন বিভাগৰ সৈতে গোপন বুজাবুজিৰে একাংশ অসাধু ব্যৱসায়ী, শাসক দলৰ পালিনেতাৰ সভাপতিত্বত এনে খনন চলাই নদীৰ শিল-বালি আহৰণ কৰা দেখা গৈছে। কোনো বৈধ নথি-পত্ৰ নোহোৱাকৈ এনে শিল-বালিৰ মহল চলাৰ অভিযোগ উত্থাপন হৈছে যদিও চকুৰ সন্মুখত এনে অবৈধ কাৰ্য প্ৰতিৰোধ কৰাৰ বাবে বন বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ইয়াৰ পিছতে বিক্ষুব্ধ স্থানীয় ৰাইজৰ লগতে গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, গোবৰ্ধনা অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ তথা বৰপেটাৰোড আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বত আজি অধিশতাধিক লোকে বৰপেটাৰোড আঞ্চলিক বন কাৰ্যালয়ৰ সন্মুখত উপস্থিত হৈ প্ৰায় দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। বৰপেটাৰোড বন বিভাগ ধ্বংস হওক, বন মন্ত্ৰী ধ্বংস হওক, বেঁকী নদীৰ খননীয়া বন্ধ কৰক, কিলগ্ৰীয়াৰ ভূমি সুৰক্ষিত কৰক আদি শ্লোগান, কোন সৈ এইসকল প্ৰতিবাদকাৰীয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আজিৰ এই কাৰ্যসূচীত বৰপেটা জিলা ছাত্ৰ সন্থাৰ সভাপতি অৰ্ণৱজ্যোতি শৰ্মা, গোবৰ্ধনা আছুৰ ভাৰপ্ৰাপ্ত সভাপতি চিন্ময় নাথ, এ জে ৱাই চি পিৰ সম্পাদক দিগন্ত পাঠক, সাহিত্য সভাৰ সভাপতি নজিত কৰ্মি, সম্পাদক হৃদয় নাথ, বৰপেটাৰোড আছুৰ কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে। প্ৰতিবাদকাৰীসকলে আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীলৈ এখনি স্মাৰকপত্ৰ প্ৰেৰণ কৰি অতিবেই বেঁকী নদীত চলা অবৈধ খনন বন্ধ কৰি গোবৰ্ধনা অঞ্চলক সুৰক্ষিত কৰাৰ দাবী উত্থাপন কৰিছে।



**বেঁকীৰ বুকু খান্দি ডাম্পাৰ-ট্ৰাকেৰে অহৰ্নিশে শিল-বালি সৰবৰাহ**

# অবৈধ খননৰ প্ৰতিবাদত উত্তাল গোবৰ্ধনা



**খহনীয়াত গামাৰীগুৰি-হটাপাৰা**
**গাঁও নিশ্চিহ্ন হোৱাৰ আশংকাত উদ্বিগ্ন জনতা**

নিজৰীয়া বাৰ্তা, অমল বজাৰ, ২৯ ডিচেম্বৰ ঃ বেঁকীত অবৈধ খননৰ প্ৰতিবাদ আজি বাক্সাৰ শালবাৰীৰ সীমামূৰীয়া বৰপেটা জিলাৰ গোবৰ্ধনাত আজি গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ গোবৰ্ধনা আঞ্চলিক সমিতি আৰু যুগ্মভাৱে গামাৰীগুৰি, হটাপাৰা বাইজৰ সহযোগত ২৪ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গামাৰীগুৰি আৰু উত্তৰ চাফাকামাৰৰ বেঁকী ৮ পৃষ্ঠাত

Continue reading......

**অবৈধ খননৰ প্ৰতিবাদত উত্তাল**

নদীত শিল-বালি খনন বন্ধ কৰাৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে সংগঠনকেইটাৰ লগতে স্থানীয় ৰাইজে। বিশটীয়াৰ যক-জেটি বন্ধৰ স্বাৰ্থত ধাৰাবাহিকভাৱে 'আন্দোলন কৰি যাম' শীৰ্ষক প্ৰাগানেৰে আজি প্ৰতিবাদ সাব্যস্ত কৰে। শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰা অৱস্থান ধৰ্মঘট কাৰ্যসূচী পুৱা ১০ বজাৰ পৰা চলিব বুলি জানিবলৈ দি অবৈধ শিল- বালি খনন বন্ধ নকৰিলে পুনৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ হুংকাৰ দিয়ে ৰাইজে। উল্লেখ্য যে ২০১৪ চনৰ প্ৰলয়ংকৰী বানৰ পিছৰ পৰা খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰা অঞ্চলটোত শিল- বালিৰ মাফিয়া-চক্ৰই গাড়ি তুলিছে কোটিমানৰ শিল- বালিৰ কুঠাৰী। খননৰ খহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰি কালক্ৰমত গোবৰ্ধনা অঞ্চল বেঁকী নৈৰ বুকুত নিঃশেষ হোৱাৰ আশংকা কৰি ৰাইজে সাব্যস্ত কৰে প্ৰতিবাদ।

# বাক্সা-বৰপেটাৰ সীমামূৰীয়া গোৱৰ্ধনাত অবৈধ শিল-বালি খননৰ বিৰুদ্ধে ২৪ ঘণ্টীয়া অৱস্থান ধৰ্মঘট

## আছু-এজেওৱাইচিপি আৰু স্থানীয় ৰাইজৰ সহযোগত ৰূপায়ণ কাৰ্যসূচী ঃ অবৈধ শিল-বালিৰ খনন বন্ধ নকৰিলে জংগী আন্দোলনৰ হুংকাৰ



**নতুন স্বদেশ সেৱা, শালবাৰী, ২৯ ডিচেম্বৰ ঃ** বাক্সা-বৰপেটাৰ সীমামূৰীয়া গোৱৰ্ধনাত বেঁকী নদীত অবৈধ শিল-বালি খননৰ বিৰুদ্ধে অৱস্থান ধৰ্মঘট। খিলঞ্জীয়া বসতিপূৰ্ণ বাক্সাৰ শালবাৰীৰ হটাপাৰা, গামাৰীগুৰি গাঁও দুখনৰ ভেটি মাটি ৰক্ষাৰ স্বাৰ্থত আৰু গাঁও দুখনত অৱস্থিত কেবাখনো শিক্ষানুষ্ঠান, অনুষ্ঠান, প্ৰতিষ্ঠানৰ ভেটি ৰক্ষাৰ স্বাৰ্থত গামাৰীগুৰি, উত্তৰ চাফাকামাৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত শিল বালি খনন বন্ধ কৰাৰ দাবীত আজি ৰাতিপুৱা দহ বজাৰপৰা কাইলৈ দিনৰ দহ বজালৈ গোৱৰ্ধনাত গোবৰ্ধনা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ গোবৰ্ধনা আঞ্চলিক আহ্বায়ক সমিতি আৰু উল্লিখিত গাঁও দুখনৰ ৰাইজৰ সহযোগত ২৪ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে জিলাখনৰ শালবাৰী মহকুমাৰ অন্তৰ্গত গামাৰীগুৰি আৰু উত্তৰ চাফাকামাৰত বছৰ বছৰ ধৰি বেঁকী নদীয়ে গৰাখহনীয়াৰ সৃষ্টি কৰি বিস্তৰ ক্ষতিসাধন কৰি আহিছে। বেঁকীৰ গৰাখহনীয়াত বহু পৰিয়ালে ঘৰবাৰী-ভেটি মাটি হেৰুৱাই সৰ্বস্বান্ত হৈছে। কিন্তু ভুতৰ ওপৰত দানহ পৰা দি সেই অঞ্চলত বালি মাফিয়াই দৈনিক অবৈধভাৱে বালি- শিল খনন কৰি পুনৰ ভাবুকি কঢ়িয়াই আনিছে গাঁও দুখনলৈ। অঞ্চলটোৰ ৰাইজে এই বিষয়ে কেবাবাৰো বন বিভাগক জনোৱাৰ পিচতো কোনো গুৰুত্ব প্ৰদান নকৰিলে। যাৰ বাবে আজিৰেপৰা আছু, এজেৱাইচিপিৰ সহযোগত গাঁও দুখনৰ ৰাইজে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাইজে সেই অঞ্চলত অবৈধ শিল- বালি খনন বন্ধ নকৰিলে জংগী আন্দোলনৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও হুংকাৰ প্ৰদান কৰে।

স্থানীয় বন বিষয়াৰে বুজাবুজি কৰি বনজ সম্পদৰ অবাধ লুণ্ঠন অসাধু চক্ৰৰ

# বৰপেটাৰ গামাৰিগুৰিত পুনৰ বেঁকী নৈত অবৈধ খনন

**শীঘ্ৰে খনন বন্ধ নকৰিলে ৰাইজৰ সহযোগত পূৰ্বতকৈ জংগী আন্দোলনৰ হুংকাৰ গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাৰ**

নিয়মীয়া বাৰ্তা, বৰপেটাৰোড, ১৩ এপ্ৰিল ঃ গোবৰ্ধনাত বেঁকী নদীত একাংশই অবৈধভাৱে শিল-বালি খনন কৰি থকাটোৱে শংকিত কৰি তুলিছে কাষৰীয়া কেইবাখনো গাঁৱৰ ৰাইজক। আনপিনে ইয়াক লৈ গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থা পুনৰ জাঙুৰ খাই উঠিছে। বৰপেটা জিলাৰ গামাৰিগুৰি গাঁৱৰ অন্তৰ্গত বেঁকীত পুনৰ আৰম্ভ কৰা শিল-বালি খনন বন্ধ কৰাৰ দাবীত যোৱা ২৪ ফেব্ৰুৱাৰীত প্ৰতিবাদী ৰাজহুৱা সভাৰ দ্বাৰা বৰনগৰ ৰাজহ চক্ৰ বিষয়া আৰু বৰপেটাৰোড ১০ পৃষ্ঠাত






*বেঁকীত অবৈধ খনন বন্ধৰ দাবীত গোবৰ্ধনাত মানৱ শৃংখল*

# বেঁকী নৈত শিল-বালি খনন বন্ধ কৰাৰ দাবীত মানৱ শৃংখল

**'আমাৰ অসম'ৰ বৰপেটাৰোডৰ প্ৰতিবেদক, ২ মাৰ্চ ঃ** বৰপেটাৰোডৰ উত্তৰ অঞ্চলৰ গোবৰ্ধনা গামাৰীগুৰিত বেঁকী নৈত অবৈধ শিল-বালি খননে গামাৰীগুৰি আৰু গোবৰ্ধনা গাঁৱৰ লগতে কেইবাখনো গাঁৱলৈ ভাবুকি কঢ়িয়াই আনিছে। বেঁকী নৈৰ মাজত একাংশ বালি মাফিয়াই বান্ধ বান্ধি কেইবাখনো জেচিবি, এক্সেভেটৰেৰে দিনে-নিশাই চলাই গৈছে খনন। এনে খননে শংকিত কৰি তুলিছে বৰপেটাৰোডৰ উত্তৰ অঞ্চলবাসীক। আনহাতে, চাফাকামাৰত শিল-বালি খনন চলোৱাৰ নামত বেঁকীৰ খহনীয়া প্ৰতিৰোধৰ বাবে দিয়া জীঅ' বেগৰ বান্ধ ভাগি ওপৰেৰে অহৰহ শিল-বালি ভৰ্তি ডাম্পাৰৰ চলাচল কৰাৰ ফলত উত্তৰ অঞ্চলৰ ৰাইজলৈ ভাবুকি অহা বুলি বৰপেটা জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি অৰ্ণৱজ্যোতি শৰ্মাই দাবী কৰে। আনহাতে কিছুদিন পূৰ্বে এক প্ৰতিবাদী কাৰ্যসূচী যোগে এই কথা জিলা প্ৰশাসনক লিখিতভাৱে জনোৱাৰ পাছতেই জিলা প্ৰশাসনে জীঅ' বেগৰ ওপৰেৰে ডাম্পাৰৰ চলাচল বন্ধ কৰিছিল যদিও তাৰ পাছতো বালি মাফিয়াই প্ৰশাসনক অংগুষ্ঠ প্ৰদৰ্শন কৰি পুনৰ জিঅ' বেগৰ ওপৰেৰে ডাম্পাৰৰ চলাচল কৰোৱাত ৰাইজ আতংকিত হৈ আজি ৰাজপথলৈ ওলাই আহি ইয়াৰ প্ৰতিবাদত মানৱ শৃংখল উলিয়ায়। ৰাইজৰ অভিযোগ অনুসৰি দীৰ্ঘদিনৰ পৰা এটা প্ৰভাৱশালী চক্ৰই বেঁকী নৈত বুকু খান্দি পেলোৱাৰ ফলতেই খহনীয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজ, গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থা আৰু গোবৰ্ধনা শাখা সাহিত্য সভাই কৰা অভিযোগ অনুসৰি অঞ্চলটোত বিগত কেইবাবছৰ ধৰি কেবাটাও অনুষ্ঠান, মন্দিৰ, মছজিদ, পৰিয়ালৰ কৃষিভূমি আদি নৈখনৰ বুকুত জাহ গৈছে। যাৰ বাবে বৰপেটা জিলাৰ বৰনগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বেঁকী নৈৰ অংশত অবৈধ শিল-বালি খননৰ বিৰুদ্ধে ওলাই আহিছে ছাত্ৰ সন্থা, সাহিত্য সভা, ছাত্ৰ-ছাত্ৰী, ভুক্তভোগী গঞা। অতিষ্ঠ হৈ ওলাই অহা ৰাইজ নৈখনত অবৈধ খননৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ হৈ পৰে। অবৈধভাৱে চলাই থকা শিল-বালি খননৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে ৰাইজে। প্ৰতিবাদকাৰীসকলে জনোৱা অনুসৰি এই খনন বন্ধৰ দাবীত বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষৰ হস্তক্ষেপ বিচাৰি স্মাৰক-পত্ৰ প্ৰদান কৰাৰ কথাও সংবাদ মাধ্যমক জানিবলৈ দিয়ে। উল্লেখ্য, দীৰ্ঘদিনৰ পৰা এটা প্ৰভাৱশালী চক্ৰই জেচিবি, এক্সেভেটৰেৰে বেঁকী নদীৰ বুকু খান্দি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল-বালি সৰবৰাহ কৰি অহাৰো অভিযোগ উত্থাপিত হৈছে। অতি সোনকালে এই অবৈধ খনন বন্ধৰ বাবে সংশ্লিষ্ট বিভাগৰ হস্তক্ষেপ দাবী কৰিছে, অন্যথা পৰৱৰ্তী সময়ত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিছে ৰাইজে।



চৰকাৰক কোটি কোটি টকাৰ ৰাজহ ফাঁকি বালি মাফিয়াৰ

# বৰপেটাৰ গোৱৰ্ধনা-গামিৰিগুৰিত বেঁকী নৈৰ বুকুত দিনে-নিশাই চলিছে অবৈধ খনন

## খনন বন্ধ নকৰিলে আন্দোলনৰ হুংকাৰ

প্ৰতিদিন বিশেষ সংবাদ, শালবাৰী-বৰপেটাৰোড, ২৪ ফেব্ৰুৱাৰী : বাক্সাৰ সীমামূৰীয়া তথা বৰপেটা জিলাৰ অন্তৰ্গত গোৱৰ্ধনা-গামিৰিগুৰি অঞ্চলত বেঁকী নদীত চলি থকা অবৈধ খননৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে আজুৰ লগতে স্থানীয় ৰাইজ। উল্লেখযোগ্য যে ২০০৪ চনৰ পৰাই বেঁকী নদীয়ে বৃহত্তৰ গোৱৰ্ধনা, গামিৰিগুৰি অঞ্চলত ভয়াবহ বান আৰু গৰাখহনীয়াৰ সৃষ্টি কৰি ধ্বংসলীলা চলাই আছে। গোৱৰ্ধনা ছাত্ৰ সন্থাৰ লগতে স্থানীয় ৰাইজে অভিযোগ কৰা অনুসৰি ২০১১ চনৰ পৰাই

■ ১০ পৃষ্ঠাত

...কক ফাঁচী-ভুক্তভোগীক ক্ষতিপূৰণ দিয়াৰ দাবী

...ত গোৰ্খা ছাত্ৰ সন্থাৰ ধৰ্ণা



# ১৬-১৮ জানুৱাৰীত প্ৰথম বৈশ্বিক অসমীয়া সন্মিলন

আইআইটি গুৱাহাটীত প্ৰবাসী-স্থানীয় পণ্ডিতৰ জ্ঞান দক্ষতা আৰু দীৰ্ঘম্যাদী সংযোগৰ ঐতিহাসিক মঞ্চ

'নগাঁৱত অসমীয়া বৈষ্ণৱ সাহিত্য ঃ সাহিত্যিক আৰু সামাজিক প্ৰেক্ষাপট' শীৰ্ষক বক্তৃতামালা



# পুৰাণসমূহক বাদ দিলে বৈষ্ণৱ সাহিত্য সম্ভৱ নহয় ঃ দিগন্ত বিশ্ব শৰ্মা



নগাঁৱৰ সমাজকৰ্মী আন্দোলনৰ নেতা দীপ্তি কুমাৰ বৰুৱাৰ বিয়োগ

বেঁকীৰ বুকু খান্দি ডাম্পাৰ-ট্ৰাকেৰে অহৰ্নিশে শিল-বালি সৰবৰাহ

# অবৈধ খননৰ প্ৰতিবাদত উত্তাল গোবৰ্ধনা



খননীয়াৰ দাবাকী-বটাৰ গাঁও নিশ্চিহ্ন হোৱাৰ আশংকাত উদ্বিগ্ন জনতা

১০ এপ্ৰিলত জিলা সন্মিলনীৰ উদ্যোগত আজীৱন সদস্য সমাবেশৰ প্ৰস্তাৱ

## প্ৰথমবাৰৰ বাবে বৰাক উপত্যকাত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যনিৰ্বাহক



বালি মহল স্থাপন কৰাৰ ভাবুকি দিয়াৰ অভিযোগ

## মোলাই অৰণ্যৰ অগ্নিকাণ্ডৰ তদন্ত মাজুলী বন বিভাগ-আৰক্ষীৰ

## ভৱানীপুৰত দুৰ্ঘটনাত মহিলাৰ মৃত্যু

কেন্দ্ৰীয়-অৰ্ধকেন্দ্ৰীয় কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন মুখ্য সম্পাদক লাংকেশ্বৰ কলিতাৰ মৃত্যু

## সৰুপেটাৰ মাধৱ চন্দ্ৰ ভড়ালীৰ মৃত্যু



## যোগীঘোপাৰ সাপ্তাহিক বজাৰত উচ্ছেদ

অসম গ্ৰন্থমেলাত আলোচনা সত্ৰত অনুৰাধা শৰ্মা পূজাৰী

## সাহিত্য-সংগীতে মানুহক মানুহ কৰি ৰাখে

সাংস্কৃতিক প্ৰতিযোগিতাৰ অংশগ্ৰহণ



বেনুধৰ শৰ্মাৰ পৰা জুবিনলৈ ৭২ ব্যক্তিৰ জীৱন কাহিনী

## থানেশ্বৰ মালাকাৰৰ গ্ৰন্থ 'জোনাকী পৰুৱাৰ দৰে' উন্মোচন

## চতিয়াৰ সাপ্তাহিক বজাৰত ৰক্তাক্ত ঘটনাক গৰিহণা ৰাজহুৱা সভাৰ

বেদখলকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী বিধায়ক পদ্ম হাজৰিকাৰ





বৰক্ষেত্ৰীত কংগ্ৰেছৰ ভেটিত কঁপনি

## ঘৰুৱাবাহাত দুই শতাধিক সংখ্যালঘুৱে যোগ দিলে বিজেপিত

সোণোৱাল কছাৰী-দেউৰী ট্ৰেইবেল কছাৰী স্বায়ত্ত পৰিষদ

## ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ দাবী সোণোৱাল কছাৰী সংগঠনৰ







চিত্ৰ প্ৰতিযোগিতাত শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ

## বিশ্বনাথ চাৰিআলি পৌৰসভাৰ দুদিনীয়া সোণালী জয়ন্তীৰ শুভাৰম্ভ




## মঙলদৈ শাখা লেখিকা সন্থাৰ বাৰ্ষিক অনুষ্ঠান, গ্ৰন্থ উন্মোচনী সভা



## তেজপুৰ বিশ্ববিদ্যালয়ৰ অচলাৱস্থা ১০০ দিন অতিক্ৰম কৰিলে ছাত্ৰৰ বিক্ষোভে

উপাচাৰ্যৰ অপসাৰণৰ দাবীত অনশন শিক্ষাৰ্থী-শিক্ষক কৰ্মচাৰী সমাজৰ

কাৰ্যবাহী উপাচাৰ্য নিযুক্তি প্ৰক্ৰিয়া অনুমোদন দিনিয়াৰ ক্ষোভ


নলবাৰীৰ বলোবাত যাত্ৰা দলৰ প্ৰখ্যাত অভিনেতা ধৰ্মদাস মিশ্ৰৰ জীৱনভিত্তিক উপন্যাস 'ধৰ্ম দৰ্জী' উন্মোচন



## নাট্যকাৰ-লেখক জিতেন শৰ্মাক কথা সাহিত্য বঁটা প্ৰদান

বেঁকী নৈত চলি থকা বৈধ-অবৈধ সকলো খনন বন্ধ কৰাৰ দাবী ৰাইজৰ

# অবৈধ খননৰ প্ৰতিবাদত উত্তাল গোবৰ্ধনা



*বেঁকী নৈত এনেদৰেই দৈনিক চলি থাকে শিল-বালিৰ খনন কাৰ্য*

**'আমাৰ অসম'ৰ বৰপেটাৰোড আৰু ভৱানীপুৰৰ প্ৰতিবেদক, ২৪ ফেব্ৰুৱাৰী** ঃগোবৰ্ধনা গামাৰী গুৰী আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত শিল-বালিৰ অবৈধ খনন বন্ধ কৰাৰ দাবীত সোমবাৰে এখন বিশাল প্ৰতিবাদী সভা অনুষ্ঠিত হয়। সভাত বৃহত্তৰ গোবৰ্ধনা অঞ্চলৰ ৰাইজৰ লগতে গোবৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ গোবৰ্দ্ধনা আঞ্চলিক সমিতিৰ লগতে বৰপেটা জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াও অংশগ্ৰহণ কৰে। প্ৰতিবাদী সভা খনত গোবৰ্দ্ধনা আৰু ইয়াৰ কাষৰীয়া বিভিন্ন ঠাইত বেঁকীয়ে সামাজিক, অৰ্থনৈতিক, শৈক্ষিক ক্ষেত্ৰত যথেষ্ট বিৰূপ প্ৰভাৱ বিস্তাৰ কৰাৰ বিষয়ে আলোচনা কৰা হয়। উল্লেখ্য যে প্ৰতিবছৰে বেঁকীয়ে সংহাৰি ৰূপ ধাৰণ কৰি তাণ্ডৱ সৃষ্টি কৰি আহিছে। ২০০৪ চনৰ পৰাবৰ্তমানলৈ বেঁকীয়ে সংহাৰী ৰূপ লৈ সমগ্ৰ গোবৰ্দ্ধনা অঞ্চলৰ ৰাস্তা-ঘাট, খেতি-পথাৰ, ঘৰ-দুৱাৰ, ভেটি-মাটি উচন কৰি পেলাইছে। গোবৰ্দ্ধনা অঞ্চলৰ কৃষিজীৱী লোকসকলৰ খেতি কৰা বিশাল ভূমিখণ্ড বানৰ ফলত বালিৰে পোত গৈ এতিয়া উলুবনি আৰু কঁহুৱাঝাৰ হৈ পৰিছে। একাংশ কৃষিজীৱীৰ বিশাল ভূমিখণ্ড খহনীয়াৰ ফলত এতিয়া বেঁকীৰ বুকুত। ২০০৪ চনৰ পৰা বেঁকীৰ সংহাৰি ৰূপে গোৱৰ্দ্ধনা অঞ্চলৰ অৰ্থনৈতিক ভেটি একেবাৰে বিধ্বস্ত কৰি পেলাইছে। প্ৰতিবছৰে হোৱা প্ৰবল খহনীয়াৰ ফলত গোৱৰ্দ্ধনা মৌজাৰ কুৰিখনৰো অধিক গাঁও বেঁকীৰ বুকুত জাঁহ গৈছে। গামাৰীগুৰী, চাকাকামাৰ, কাটাঝাৰ, নিচুকা, ডোমনী আদি গাঁও কেইখনৰ অধিকাংশ মাটি এতিয়া নদীৰ বুকুত। মাটি-ভেটি হেৰুৱাই নিৰাশ্ৰয় লোকসকলে গড়কপ্তানী পথৰ দাঁতিত আশ্ৰয় লৈছে। কিছুলোকে এই অঞ্চল ত্যাগ কৰি যাব লগাত পৰিছে। আন একাংশই গামাৰীগুৰী গাঁৱৰ চৰকাৰী মাটিত আশ্ৰয় লৈ আছে। সম্প্ৰতি ২০১৫-২০২৩ চনত হোৱা বেঁকীৰ প্ৰবল খহনীয়াৰ ফলত গামাৰীগুৰী গাঁৱত অৱস্থিত গোৱৰ্দ্ধনা-খাৰিজা বিজনী স্নাতক মহাবিদ্যালয়, গোৱৰ্দ্ধনা-খাৰিজা বিজনী কনিষ্ঠ মহাবিদ্যালয়, গোবৰ্দ্ধনা হাইস্কুল, গোবৰ্দ্ধনা ছোৱালী হাই আৰু এম.ই স্কুল, ১৫৫৮নং গামাৰীগুৰী প্ৰাথমিক বিদ্যালয়, ৩২৪ নং গোবৰ্দ্ধনা প্ৰাথমিক বিদ্যালয়, গোৱৰ্দ্ধনা আঞ্চলিক জাতীয় বিদ্যালয়, শঙ্কৰ-আজান জাতীয় বিদ্যালয়, শঙ্কৰদেৱ শিশু বিদ্যা নিকেতন গোৱৰ্দ্ধনা, গোৱৰ্দ্ধনা পশু চিকিৎসালয়, গোবৰ্দ্ধনা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, গোৱৰ্দ্ধনা পাৱাৰ কণ্ট্ৰ'ল হাব আদি কেবাটাও শিক্ষানুষ্ঠান-স্বাস্থ্যানুষ্ঠানৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান সমূহো বেঁকীৰ বুকুত জাঁহ যোৱাৰ উপক্ৰম হৈছে।

# বেঁকী নদীক ৰক্ষাৰ দাবীত সত্যাগ্ৰহ

শিল-বালি অবৈধ খননৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়ত পুলিচৰে হতাহতি

**প্ৰতিবেদক, ভৱানীপুৰ, ২ মাৰ্চ ঃ** বাক্সা জিলাৰ সীমামূৰীয়া বৰপেটা জিলাৰ অন্তৰ্গত গামাৰীগুৰি অঞ্চলত বেঁকী নদীৰ বুকুত সুদীৰ্ঘ দিন ধৰি অবৈধভাৱে শিল-বালিৰ খনন কাৰ্যৰ পৰিপ্ৰেক্ষিতত বৃহত্তৰ গামাৰীগুৰি আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলত বেঁকী নদীৰ বিধ্বংসী গৰাখহনীয়াই জনজীৱন বিপৰ্যস্ত কৰাত আজি আছুৰ গোৱৰ্ধনা আঞ্চলিক সমিতি আৰু গোৱৰ্ধনা শাখা সাহিত্য সভাৰ উদ্যোগত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থা, বৰপেটা জিলা ছাত্ৰ সন্থা আৰু গোবৰ্ধনা শাখা সাহিত্য *৮ পৃষ্ঠাত*

## ডেম্বিৰাম পাংগিঙক সম্বৰ্ধনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২ মাৰ্চ ঃ** প্ৰকৃতিৰ বিভিন্ন উপাদানেৰে চিৰ যৌৱনা হৈ থকা দিচাংমুখত আজি দিচাংমুখবাসীৰ উদ্যোগত অনুষ্ঠিত



■ *বেঁকীৰ খহনীয়াত জাহ যোৱা ছাফাকামাৰৰ মছজিদ। ফটো ঃ প্ৰতিদিন বিশেষ সংবাদ, বৰপেটাৰোড*



### ডাম্পাৰৰ দৌৰাত্ম্য-বেঁকী নৈত অবৈধ বালি খনন বন্ধৰ দাবী

# ছাত্ৰ সংগঠন-ৰাইজৰ পথ অৱৰোধ

## দাবী নামানিলে তীব্ৰ আন্দোলনৰ হুংকাৰ

প্ৰতিদিন বিশেষ সংবাদ, বৰপেটাৰোড, ২৪ ফেব্ৰুৱাৰী ঃ [illegible]



### বেঁকীৰ বুকুত অবৈধ খনন, ডাম্পাৰৰ দৌৰাত্ম্যত ক্ষুব্ধ চাৰি সংগঠন

# কাইলৈ বৰপেটাৰোড মানাহৰ ৰাষ্ট্ৰীয় উদ্যান পথ অৱৰোধ

**প্ৰতিদিন বিশেষ সংবাদ, শালবাৰী-বৰপেটাৰোড, ২২ ফেব্ৰুৱাৰী ঃ** বাক্সাৰ শালবাৰী মহকুমাৰ চৌৰাঙৰিত যোৱা নিশা সংঘটিত ডাম্পাৰ আৰু ই-ৰিক্সাৰ মুখামুখি সংঘৰ্ষত এজন লোকৰ মৃত্যু হোৱাৰ লগতে অন্য এজন আহত হোৱা ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আছু, আমছু, এ বি আমছু আৰু আক্ৰাছুৱে। যোৱা নিশা প্ৰায় ৯ বজাত বৰপেটাৰোড-মানাহ ৰাষ্ট্ৰীয় উদ্যান পথত ই-ৰিক্সা এখনক বিপৰীত দিশৰ পৰা দ্ৰুতগতিৰে যোৱা ডাম্পাৰ এখনে খুন্দিওৱাত ই-ৰিক্সাৰ চালক বৰপেটাৰোড থানাৰ খৈৰাবাৰীৰ ছাহজাহান আলী (৩৭)ৰ মৃত্যু হোৱাৰ লগতে যাত্ৰী ধমধমাৰ অৰবিন্দ ৰবি দাস (২৪) গুৰুতৰভাৱে আহত হয়। আজি মায়ংপাৰাৰ গধূলি বজাৰত আয়োজন কৰা এখন সংবাদমেলত আছুৰ প্ৰচাৰ সম্পাদক মানছুৰ ছাখোৱাৰিকাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় যে বৰপেটাৰোড-মানাহ ৰাষ্ট্ৰীয় উদ্যান পথেৰে শিল-বালি কঢ়িয়াই নিয়া ডাম্পাৰৰ দৌৰাত্ম্যৰ বাবে সঘনে দুৰ্ঘটনা সংঘটিত হৈ আছে। এচাম অসাধু লোকে বেঁকী নৈৰ বুকুত অবৈধভাৱে খনন চলাই শালবাৰীৰ কালপানী, খাগ্ৰাবাৰী, চূণবাৰী, এলেঙামাৰী, বাঁহবাৰী আদি অঞ্চললৈ ভাবুকি কঢ়িয়াই আনিছে। প্ৰতিটো নিশাত প্ৰায় ১৫০ খনকৈ ডাম্পাৰে বেঁকীৰ পৰা অবৈধভাৱে শিল-বালি সৰবৰাহ অব্যাহত ৰাখিছে। এইক্ষেত্ৰত প্ৰশাসন, বন বিভাগে নীৰৱ ভূমিকা গ্ৰহণ কৰাটো ৰহস্যজনক। বেঁকীৰ বুকুত অবৈধ খনন আৰু ডাম্পাৰৰ দৌৰাত্ম্য ৰোধৰ দাবীত অহা ২৪ ফেব্ৰুৱাৰীত আছু, আক্ৰাছু, এ বি আমছু, আমছুৱে কুঠৰীঝাৰত বৰপেটাৰোড-মানাহ ৰাষ্ট্ৰীয় পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰিব বুলিও সংবাদমেলত উল্লেখ কৰে।



## বাক্সাত কৰ ফাঁকি দিয়া ডাম্পাৰৰ পৰা অৰ্ধলক্ষাধিক টকাৰ জৰিমনা সংগ্ৰহ

# চালানবিহীন, অ'ভাৰলোডেৰে চলে শিল-বালি মহলৰ পৰা অহা ডাম্পাৰ



প্ৰতিদিন বিশেষ সংবাদ, বৰপেটাৰোড, ৯ ছেপ্টেম্বৰ ঃ বাক্সাত অবৈধভাৱে শিল-বালি কঢ়িয়াই একাংশ লোকে ৰাজহ ফাঁকিৰে শিল-বালিৰ মহল চলাই অহাৰ অভিযোগ উত্থাপিত হৈ অহাৰ সময়তে এইবাৰ বাক্সাত বন বিভাগে এনে অবৈধ শিল-বালি কঢ়িওৱা ডাম্পাৰৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। আনকি যোৱা সাত ছেপ্টেম্বৰৰ নিশাৰ পৰা পিচদিনালৈকে শালবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত গোবিন্দপুৰ খণ্ড বন বিভাগে শিল-বালি কঢ়িওৱা সাতখনকৈ ডাম্পাৰ জব্দ কৰে। আনহাতে একেটা খণ্ড বন বিভাগে দুদিনমান আগতে আন এক অভিযান চলাই আন তিনিখন ডাম্পাৰ জব্দ কৰাৰ পিচত দুদিনত বন বিভাগে দহখন ডাম্পাৰ জব্দ কৰে। প্ৰাপ্ত তথ্যমতে শালবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত গোবিন্দপুৰ খণ্ড বন কাৰ্যালয়টো বৰপেটাৰোডৰ শিমলাগুৰিৰ ওচৰৰ তথা ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ স্পৰ্শ কৰি যোৱা। যিটো ৰাষ্ট্ৰীয় ঘাইপথেৰে বাক্সাৰ লগতে বৰপেটা জিলাৰো বিভিন্ন মহলৰ পৰা শিল-বালি কঢ়িওৱা হয়। কিন্তু ইয়াৰ অধিকাংশ শিল-বালি কঢ়িওৱা ট্ৰেক্টৰ, ডাম্পাৰৰ চালানবিহীনভাৱে চলাৰ লগতে আন একাংশ গাড়ীত আকৌ অতিৰিক্ত সামগ্ৰী কঢ়িওৱা হয়। এনে অভিযোগৰ পিচতে গোবিন্দপুৰ খণ্ড বন বিষয়া ঘনশ্যাম দাসৰ নেতৃত্বত এনে শিল-বালি কঢ়িওৱা ডাম্পাৰৰ বিৰুদ্ধে অভিযান চলে। সেই অনুসৰি সৰভোগৰ কমাৰগাঁৱৰ উমেগুৰি মহলৰ জনৈক ৰণজিৎ বসুমতাৰীৰ মহলৰ পৰা অহা ছখনকৈ আৰু নিচুকা মহলৰ পৰা অহা এখন ডাম্পাৰ জব্দ কৰে। জব্দ কৰা ডাম্পাৰকেইখনৰ ভিতৰত ৰণজিৎ বসুমতাৰীৰ মহলৰ পৰা অহা দুখন ডাম্পাৰৰ চালান নাছিল আৰু আনখনে অতিৰিক্ত সামগ্ৰী কঢ়িয়াই আনিছিল।

## সঞ্চাৰী গোষ্ঠীৰ উদ্যোগত গছপুলি ৰোপণ

প্ৰতিদিন বিশেষ সেৱা, ধুবুৰী, ৯ ছেপ্টেম্বৰ ঃ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্মবাৰ্ষিকী উপলক্ষে আঠ ছেপ্টেম্বৰত ধুবুৰীৰ 'সঞ্চাৰী' গোষ্ঠীৰ উদ্যোগত আৰু ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত গছপুলি ৰোপণ কৰা হয়। মহাবিদ্যালয়খনৰ খেলপথাৰৰ চাৰিওদিশে উন্নত প্ৰজাতিৰ বহুকেইজোপা সৰল গছৰ পুলি ৰোপণ কৰি ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। উক্ত গছপুলি ৰোপণ কাৰ্যসূচীত ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ধ্ৰুৱ চক্ৰৱৰ্তী, ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী বিষয়া ড° ৰেজিবুল আলম, মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ছাত্ৰ-ছাত্ৰীসকল আৰু 'সঞ্চাৰী' গোষ্ঠীৰ সদস্যবৃন্দ উপস্থিত থাকে।


## বৰপেটা-বাক্সাত শিল-বালি কঢ়িওৱা বাহনৰ দৌৰাত্ম্যত অতিষ্ঠ সাধাৰণ লোক


# পৰিবহণ আইন উলংঘা কৰিছে ট্ৰাক-ডাম্পাৰে

প্ৰতিদিন বিশেষ সংবাদ, বৰপেটাৰোড, ২৬ ডিচেম্বৰ ঃ [illegible]



[illegible]


GPS Map Camera
Shilbari, Assam, India
Beki River Rd, Shilbari, Assam 781315, India
Lat 26.588277° Long 90.978783°
Tuesday, 24/03/2026 04:02 PM GMT +05:30
Google


GPS Map Camera
Shilbari, Assam, India
Beki River Rd, Shilbari, Assam 781315, India
Lat 26.588602° Long 90.978772°
Tuesday, 24/03/2026 04:00 PM GMT +05:30
Google